**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 02**-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

**:::::::::::::::::::::::::::::::::::::::::**

১। ভাৰতে অহা ৪ আৰু ৫ জুনত বাৰানসীত ব্ৰিক্‌ছ ৰাষ্ট্ৰগোষ্ঠীৰ সংস্কৃতি কাৰ্যগোটৰ দ্বিতীয়খন বৈঠকৰ আয়োজন কৰিছে।

২। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতিন নবিনে কালি নতুন দিল্লীত দলৰ জ্যেষ্ঠ বিষয়ববীয়া আৰু কৰ্মীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

৩। উত্তৰাখণ্ডৰ চামলি জিলাৰ ভেলী অফ ফ্লাৱাৰ্ছ শীৰ্ষক ইউনেস্কো বিশ্ব ঐতিহ্য ক্ষেত্ৰ পৰ্যটকৰ বাবে মুকলি কৰা হৈছে।

৪। ইজৰাইল আৰু লেবাননৰ সশস্ত্ৰ সংগঠন হিজবুল্লাহে সংঘাট হ্ৰাস কৰিবলৈ সন্মত হৈছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে।

***আৰু***

৫। ভাৰতে জাপানত চলি থকা ১৮ বছৰ অনুৰ্ধৰ পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ এখন খেলত কালি কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

oooo

ভাৰতে অহা ৪ আৰু ৫ জুনত উত্তৰ প্ৰদেশৰ বাৰানসীত ব্ৰিক্‌ছ ৰাষ্ট্ৰগোষ্ঠীৰ সংস্কৃতি কাৰ্যগোটৰ দ্বিতীয়খন বৈঠকৰ আয়োজন কৰিছে। নতুন দিল্লীত সংস্কৃতি মন্ত্ৰালয়ৰ সচিব বিবেক আগৰৱালে এখন সংবাদমেলত এই বিষয়ে সদৰী কৰে। এই দুদিনীয়া বৈঠকত মূল বিষয়ৰ সৈতে খাপ খোৱাকৈ সাংস্কৃতিক সহযোগিতা সন্দৰ্ভত গাঠনিগত আৰু বহুপাক্ষিক আলোচনাই স্থান পাব বুলি তেওঁ আশা প্ৰকাশ কৰে। সচিবগৰাকীয়ে কয়, যে এইবেলি বৈঠকত মূলতঃ সৃষ্টিশীল অৰ্থনীতি তথা কৃত্ৰিম বুদ্ধিমত্তা, ঐতিহ্যৰ সুৰক্ষা, সংস্কৃতি আৰু বহনক্ষম উন্নয়ন আদি বিষয় লৈ আলোচনা কৰা হ'ব।

oooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতিন নবিনে কালি নতুন দিল্লীত দলৰ জ্যেষ্ঠ বিষয়ববীয়া আৰু কৰ্মীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সাংসদ তথা দলৰ মুখপাত্ৰ ড০ সম্বিত পাত্ৰই নৰেন্দ্ৰ মোদী চৰকাৰৰ ১২ বছৰ জোৰা সেৱা, সাংগঠনিক সম্প্ৰসাৰন আৰু সমাজৰ বিভিন্ন শ্ৰেণীক সামৰি লোৱাৰ উদ্দেশ্যে দলৰ বিভিন্ন ভৱিষ্যৎ উদ্যমৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰত মোদী চৰকাৰে ১২ বছৰ সম্পূৰ্ণ কৰিছে আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ নেতৃত্বত প্ৰতিটো খণ্ডতে দেশৰ চকুত লগা উন্নয়ন জনসাধাৰণে প্ৰত্যক্ষ কৰিছে। সম্প্ৰতি দেশৰ ২২ খন ৰাজ্যত ভাৰতীয় জনতাপাৰ্টী আৰু এন ডি এ শাসনত আছে বুলি শ্ৰী পাত্ৰই উল্লেখ কৰে।

০০০০

অতি ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতন ৰাম মাঝিয়ে কালি নতুন দিল্লীত দক্ষিণ আফ্ৰিকাৰ ক্ষুদ্ৰ বাণিজ্য উন্নয়ন মন্ত্ৰী ষ্টেলা টেম্বিছা নাডাবেনীৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলক সাক্ষাৎ কৰে। সাক্ষাৎকালত উভয় দেশৰ মাজত এই উদ্যোগখণ্ডত থকা সহযোগিতা শক্তিশালী কৰাৰ লগতে অৰ্থনৈতিক উন্নয়ন, নিয়োগ সৃষ্টি আৰু সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰত উদ্যোগ খণ্ডটোৰ বিশেষ ভূমিকাত আলোকপাত কৰা হয়। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি বৈঠকত দুয়ো পক্ষই উদ্যোগ খণ্ডটোত সহযোগিতাৰ সম্ভাব্য ক্ষেত্ৰসমূহৰ বিষয়েও আলোচনা কৰে। ইয়াৰ ভিতৰত বিত্তীয় সুবিধাৰ সম্প্ৰসাৰণ, ডিজিটীয় পদ্ধতিৰ বিকাশ, উদ্যমিতা খণ্ডক শক্তিশালী কৰা আৰু অতি ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগ ক্ষেত্ৰত দক্ষতা বিকাশ আদিক সামৰি লোৱা হয় বুলি মন্ত্ৰালয়ে জানিবলৈ দিয়ে।

এই বৈঠকে দ্বিপাক্ষিক সহযোগিতা আৰু সহায়ক পৰিৱেশ তন্ত্ৰৰ জৰিয়তে উদ্যোগ খণ্ডটোৰ বিকাশ সাধন কৰিবলৈ উভয় দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে।

০০০০

ছমাহ পূৰ্বে স্বাক্ষৰিত হোৱা ভাৰত-ওমান সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তি, চমুকৈ 'চেপা' ১ জুনৰ পৰা কাৰ্যকৰী হোৱা বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে সদৰী কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, এয়া কেৱল এখন বাণিজ্য চুক্তি নহয়, ই দুয়োখন দেশৰ মাজত থকা বিশ্বাসৰ প্ৰতিফলন। এই চুক্তিয়ে ভাৰত আৰু ওমানৰ সম্পৰ্কক নতুন গতি প্ৰদান কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই চুক্তিৰ ফলত ওমানলৈ ৰপ্তানি হোৱা ভাৰতৰ ৯৯ শতাংশ সামগ্ৰীৰ ওপৰত কোনো শুল্ক আৰোপ কৰা নহ'ব। ইয়াৰদ্বাৰা ভাৰতৰ বস্ত্ৰ, কৃষি সামগ্ৰী, ঔষধ, সাগৰীয় সামগ্ৰী আদি আমগ্ৰী ৰপ্তানিকাৰীসকলৰ লগতে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ বিশেষভাৱে লাভান্বিত হ'ব। এই বাণিজ্য চুক্তিয়ে ওমানৰ বজাৰত ভাৰতীয় সামগ্ৰীৰ বাবে নতুন দুৱাৰ মুকলি কৰিব বুলি শ্ৰীগোৱেলে দৃঢ়তাৰে কয়।

BYTE

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি নতুন দিল্লীত অষ্ট্ৰেলিয়াৰ উপ-প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লছক সাক্ষাৎ কৰে। সাক্ষাৎকালত দুয়োগৰাকী মন্ত্ৰীয়ে বিশ্বৰ বিভিন্ন আঞ্চলিক পৰিস্থিতিৰ লগতে ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চল তথা উভয় দেশৰ মাজত থকা সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক আগবঢ়াই নিয়াৰ বিষয়ে বাৰ্তালাপ কৰে বুলি সামাজিক মাধ্যমত ড০ জয়শংকৰে উল্লেখ কৰে।

০০০০

উত্তৰাখণ্ডৰ চামলি জিলাত থকা ভেলী অফ ফ্লাৱাৰ্ছ, অৰ্থাৎ ফুলৰ উপত্যকা শীৰ্ষক ইউনেস্কো বিশ্ব ঐতিহ্য ক্ষেত্ৰ পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। ইয়াৰ লগে লগে ৰাজ্যখনৰ বন বিভাগে পৰ্যটকসকলক উপত্যকাটোৰ চহকী জৈৱ

বৈচিত্র্য আৰু বিৰল প্ৰজাতিৰ উদ্ভিদসমূহ সংৰক্ষণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। বিভাগে সদৰি কৰা অনুসৰি উপত্যকাটোত সম্প্ৰতি ৩০০ তকৈও অধিক প্ৰজাতিৰ ফুলৰ লগতে কেইবাবিধো বিৰল প্ৰজাতিৰ উদ্ভিদ পোৱা যায়। উপত্যকাটো পৰ্যটকৰ বাবে অহা ৩১ অক্টোবৰ পৰ্যন্ত মুকলি থাকিব বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। উল্লেখযোগ্য যে, এই উপত্যকাটো প্ৰত্যাহ্বানপূৰ্ণ ভৌগোলিক পৰিস্থিতি থকা অঞ্চলত অৱস্থিত। উপত্যকাটোৰ ভ্ৰমণ উপভোগ্য কৰি তুলিবলৈ বতৰ আৰু পৰ্যটকৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ইতিমধ্যে পৰ্যটকসকলৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনাও জাৰি কৰা হৈছে।

০০০০

২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতে ৭৩ হাজাৰ ৮৯০ কোটি টকাতকৈও অধিক মূল্যৰ ১৯ লাখ মেট্ৰিকটনতকৈ অধিক সাগৰীয় খাদ্য ৰপ্তানি কৰিছে। সাগৰীয় সামগ্ৰী ৰপ্তানি উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ পি জবাহৰে প্ৰকাশ কৰা অনুসৰি সাম্প্ৰতিক গোলকীয় প্ৰত্যাহ্বান সত্বেও ই পৰিমাণ আৰু মূল্য দুয়োটা ক্ষেত্ৰতে সাগৰীয় খাদ্যৰ ক্ষেত্ৰত ভাৰতৰ সৰ্বকালৰ শ্ৰেষ্ঠ ৰপ্তানি হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে এই সময়ছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীনে ভাৰতৰ পৰা সৰ্বাধিক সাগৰীয় খাদ্য আমদানি কৰিছে। ৰপ্তানি কৰা খাদ্যসমূহৰ ভিতৰত বৰফত সংৰক্ষণ কৰা মিছা মাছৰ পৰিমাণ সৰ্বাধিক বুলি তেওঁ জানিবলৈ দিয়ে। এই ৰপ্তানিৰ পৰিমাণ ৪৯ হাজাৰ কোটি টকাতকৈও অধিক বুলি শ্ৰী জবাহৰে উল্লেখ কৰে। তেওঁ কয়, যে ইয়াৰ পাছতে বৰফত সংৰক্ষণ কৰি ৰখা সাগৰীয় মাছ দ্বিতীয় সৰ্বাধিক ৰপ্তানিকৃত সাগৰীয় খাদ্যৰূপে পৰিগণিত হৈছে। এই ৰপ্তানিৰ পৰিমাণ পাঁচ হাজাৰ ৬৫৮ কোটি টকাতকৈও অধিক বুলি তেওঁ প্ৰকাশ কৰে।

০০০০

ইজৰাইল আৰু লেবাননৰ সশস্ত্ৰ সংগঠন হিজবুল্লাহৰ মাজত সংঘাত হ্ৰাস কৰিবলৈ দুয়োপক্ষ সন্মত হৈছে বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ সৈতে হোৱা আলোচনা আৰু মধ্যস্থতাকাৰীৰ জৰিয়তে হিজবুল্লাহৰ সৈতে যোগাযোগ কৰাৰ পাছতেই ট্ৰাম্পে এই কথা ঘোষণা কৰে। ট্ৰাম্পে প্ৰকাশ কৰা অনুসৰি, দুয়ো পক্ষই গুলীচালনা বন্ধ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে আৰু বেৰুটলৈ আগবাঢ়ি যোৱা আমেৰিকাৰ সেনাকো ইতিমধ্যে ওভতাই অনা হৈছে।

উল্লেখযোগ্য যে, ইজৰাইলৰ স্থলসেনাই লেবাননৰ অভ্যন্তৰত প্ৰৱেশ কৰা আৰু হিজবুল্লাহে ইজৰাইলৰ হাইফা চহৰক লক্ষ্য কৰি ৰকেট আক্ৰমণ চলোৱাৰ পাছতে ইজৰাইল চৰকাৰে বেৰুটৰ দক্ষিণ প্ৰান্তত নতুনকৈ বিমান আক্ৰমণৰ নিৰ্দেশ দিছিল। এই আক্ৰমণৰ কেইঘণ্টামানৰ পাছতে আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে এই গুৰুত্বপূৰ্ণ তথ্য সদৰী কৰে।

ইপিনে, ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাটজে এটা যৌথ বিবৃতিত দাবী কৰিছে যে, হিজবুল্লাহে বাৰে বাৰে যুদ্ধবিৰতি উলংঘন কৰি ইজৰাইলৰ চহৰসমূহক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ বাবেহে বেৰুটত এই সামৰিক অভিযানৰ নিৰ্দেশ দিবলগীয়া হৈছিল।

০০০০

লেবাননত থকা হিজবুল্লাহৰ ঘাটিসমূহক লক্ষ্য কৰি ইজৰাইলে চলোৱা আক্ৰমণৰ পাছতে ইৰানে সতৰ্কবাণী জাৰি কৰি স্পষ্ট কৰিছে যে, এই আক্ৰমণৰ ফলত আমেৰিকাৰ সৈতে থকা তেওঁলোকৰ যুদ্ধবিৰতি চুক্তি বিপদাপন্ন হ'ব পাৰে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে ব্ৰেৰুটৰ দক্ষিণ প্ৰান্তত আক্ৰমণ চলোৱাৰ নিৰ্দেশ দিয়াৰ পাছতেই ইৰানৰ বৈদেশিক মন্ত্ৰী আব্বাছ আৰাঘিচিয়ে এই মন্তব্য কৰে। বৈদেশিক মন্ত্ৰীগৰাকীয়ে কয় যে, আমেৰিকাৰ সৈতে হোৱা এই বুজাবুজি লেবাননসহ আটাইকেইটা সীমান্তৰ বাবেই প্ৰযোজ্য আছিল আৰু যিকোনো এটা সীমান্তত ইয়াৰ উলংঘন হ'লে সেয়া সমগ্ৰ যুদ্ধবিৰতিৰে উলংঘন বুলি গণ্য কৰা হ’ব। ইয়াৰ পূৰ্বে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে মন্তব্য কৰিছিল যে, ইৰান সমৰ্থিত হিজবুল্লাহৰ ৰকেট আৰু ড্ৰোন আক্ৰমণৰ প্ৰত্যুত্তৰত ব্ৰেৰুটৰ দাহিয়েহ অঞ্চলত থকা উগ্ৰপন্থীৰ ঘাটিসমূহত আক্ৰমণ চলোৱা হ’ব। ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে যে - ইৰানৰ সৈতে আলোচনা অতি ক্ষিপ্ৰতাৰে চলি আছে আৰু তেওঁ ইতিমধ্যে প্ৰধানমন্ত্ৰী নেতান্যাহুৰ লগতে হিজবুল্লাহৰ প্ৰতিনিধি দলৰ সৈতেও এই সন্দৰ্ভত কথা পাতিছে।

০০০০

ভাৰতে কালি জাপানত কাকামিগহৰাত চলি থকা ১৮ বছৰ অনুৰ্ধৰ পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ পুল এৰ নিজৰ তৃতীয়খন খেলত কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ হৈ অধিনায়ক কেটন কুছৱাহাই খেলখনৰ তিনি আৰু ৩৬ মিনিটত এটাকৈ গ'ল দিয়াৰ লগতে ৰবীন্দৰ সিঙে পাঁচ আৰু শ্বাহৰুখ আলীয়ে ৫৪ মিনিটত আন দুটা গ'ল দিয়ে। কোৰিয়াৰ হৈ অধিনায়ক য়ুন জায়েহয়'কে ২১ মিনিটত একমাত্ৰ গ'লটো পৰিশোধ কৰে।

এই জয়ৰ সুবাদত ভাৰত সম্প্ৰতি ছয় পইণ্টেৰে পুল এত প্ৰথম স্থানত আছে। প্ৰতিটো পুলৰ পৰা শীৰ্ষ দল দুটা চেমিফাইনেললৈ অগ্ৰসৰ হ'ব। ভাৰত কাইলৈ পৰৱৰ্তী তথা পুল পৰ্যায়ত নিজৰ অন্তিম খেলখনত চীনা টাইপেইৰ মুখামুখি হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ